**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 03-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। জনজাতি কল্যাণ মন্ত্ৰালয়ৰ উদ্যোগত আজি নতুন দিল্লীত এখন ৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সন্মিলনৰ উদ্বোধনী সত্ৰত ভাষণ দিব।

২। ভেনেজুৱেলাৰ ৰাষ্ট্ৰপতি ডেলচি ৰ'ড্ৰিগছ চাৰিদিনীয়া ভ্ৰমণসূচীৰে আজি ভাৰতলৈ আহিব।

৩। বাংলাদেশৰ বিদেশমন্ত্ৰী খলিলুৰ ৰহমান ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ ৮১ সংখ্যক অধিৱেশনৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছে।

৪। গুজৰাটৰ চুৰাটৰ বৰদলী চহৰৰ সমীপত কালি সংঘটিত এটা পথ দুৰ্ঘটনাত ৮ জন লোকৰ মৃত্যু হৈছে। ***আৰু***

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ মহিলাৰ টি-২০ ক্ৰিকেট শৃংখলাৰ কালি অনুষ্ঠিত তৃতীয় তথা অন্তিমখন খেলত ইংলেণ্ডে ৬ উইকেটত জয়ী হৈ ২-১ত শৃংখলা হস্তগত কৰে।

০০০০০

জনজাতি কল্যাণ মন্ত্ৰালয়ৰ উদ্যোগত আজি নতুন দিল্লীত সংহত জনজাতি উন্নয়ন সংস্থা আৰু সংহত জনজাতি উন্নয়ন প্ৰকল্পসমূহ শক্তিশালী কৰাৰ উদ্দেশ্যে এখন ৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সন্মিলনৰ উদ্বোধনী সত্ৰত ভাষণ দিব। চলিত বৰ্ষৰ জনজাতীয় গৰিমা উৎসৱৰ অংশ হিচাপে এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বেংগালুৰুৰ ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠানৰ নেন' চায়েন্স আৰু ইঞ্জিনিয়াৰিং চেণ্টাৰত ভাৰ্চুৱেল ব্যৱস্থাৰে এটা প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰিব। তেওঁ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ একলব্য আদৰ্শ আৱাসিক বিদ্যালয়ত স্থাপন কৰা ৭৫টা মহাকাশ পৰীক্ষাগাৰো মুকলি কৰিব। এই সন্মিলনত সমগ্ৰ দেশত জনজাতি উন্নয়নৰ বাবে প্ৰতিষ্ঠানগত ব্যৱস্থাসমূহ অধিক শক্তিশালী কৰা সন্দৰ্ভত আলোকপাত কৰা হ'ব। ২৬ খন ৰাজ্য আৰু ৪ খন কেন্দ্ৰীয়শাসিত অঞ্চলৰ প্ৰতিনিধিয়ে এই সন্মিলনত অংশগ্ৰহণ কৰিব।

০০০০০

সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰৰ অধ্যক্ষতা আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী অনুসূচিত জাতি অভ্যুদয় যোজনা চমুকৈ পিএম-অজয় সন্দৰ্ভত কেন্দ্ৰীয় পৰামৰ্শদাতা সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকত আঁচনিখনৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰাৰ লগতে সমগ্ৰ দেশত অনুসূচিত জাতিৰ লোকসকলৰ আৰ্থ সামাজিক বিকাশ উন্নত কৰাৰ বিভিন্ন কৌশল সন্দৰ্ভত আলোচনা কৰা হ'ব। আলোচনাত পিএম-অজয় আঁচনিৰ ৰূপায়ণ অধিক শক্তিশালী কৰাৰ লগতে অধিক সংখ্যক যোগ্য হিতাধিকাৰীয়ে যাতে আঁচনিখনৰ সুফল লাভ কৰিব পাৰে তাক নিশ্চিত কৰা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হ'ব। এই আঁচনিৰ অধীনত বাকী থকা প্ৰায় ৩২ হাজাৰ গাঁৱৰ বাবে আদৰ্শ গ্ৰামৰ লক্ষ্যত উপনীত হোৱাৰ সন্দৰ্ভতো আলোচনা কৰা হ'ব।

০০০০০

ভেনেজুৱেলাৰ ৰাষ্ট্ৰপতি ডেলচি ৰ’ড্ৰিগছ চাৰিদিনীয়া ভ্ৰমণসূচীৰে আজি ভাৰতলৈ আহিব। তেওঁৰ সৈতে দেশখনৰ বৈদেশিক পৰিক্ৰমা, অৰ্থনীতি, বিত্তীয় আৰু বিজ্ঞান প্ৰযুক্তি মন্ত্ৰীকে ধৰি এটা উচ্চস্তৰীয় প্ৰতিনিধিৰ দলো ভাৰত ভ্ৰমণলৈ আহিব। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে এই ভ্ৰমণৰ সময়ত শ্ৰীমতী ৰ’ড্ৰিগছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ’ব। এই বৈঠকত বাণিজ্য, বিনিয়োগ, শক্তি, পুনৰ ব্যৱহাৰ্য শক্তি, স্বাস্থ্য যতন আজি বিভিন্ন ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ ন-ন দিশ অন্বেষণ কৰা হ’ব।

০০০০০

বাংলাদেশৰ বিদেশমন্ত্ৰী খলিলুৰ ৰহমানক ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ ৮১ সংখ্যক অধিৱেশনৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত কৰা হৈছে। অহা ছেপ্তেম্বৰত তেওঁৰ এবছৰীয়া কাৰ্যকাল আৰম্ভ হ’ব। অধ্যক্ষ হিচাপে নিৰ্বাচিত হোৱাৰ পাছত খলিলুৰ ৰহমানে কয়, যে তেওঁ মানৱ অধিকাৰ সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ কাম-কাজসমূহ আগবঢ়াই নিব আৰু তেওঁৰ কাৰ্যকালত সকলো সদস্য ৰাষ্ট্ৰৰ সৈতে সহযোগিতাৰে কাম কৰি যাব। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ বাবে হোৱা নিৰ্বাচনত খলিলুৰ ৰহমানে ৯৯টা ভোট লাভ কৰাৰ বিপৰীতে চাইপ্ৰাছৰ বহুপাক্ষিক বিষয়সমূহৰ বিশেষ ৰাষ্ট্ৰদূত এণ্ড্ৰিয়াছ কাক’ৰিছে ৯১টা ভোট লাভ কৰে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ ১৯৩ খন সদস্য ৰাষ্ট্ৰই আজি ২০২৭-২৮ কাৰ্যকালৰ বাবে ১৫ দেশীয় নিৰাপত্তা পৰিষদৰ ৫ গৰাকী নতুন অস্থায়ী সদস্য নিৰ্বাচন কৰিব।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ ৮১ সংখ্যক অধিৱেশনৰ সভাপতি হিচাপে নিৰ্বাচিত হোৱা বাংলাদেশৰ বিদেশমন্ত্ৰী ড০ খলিলুৰ ৰহমানক অভিনন্দন জ্ঞাপন কৰে। সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা বাৰ্তাত ড০ জয়শংকৰে কয়, যে ভাৰত আৰু বাংলাদেশৰ মাজৰ বহুপক্ষীয় সহযোগিতা আৰু অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে ড০ ৰহমানৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰিবলৈ তেওঁ আগ্ৰহী।

০০০০০

চলিত বৰ্ষৰ প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰৰ বাবে চৰকাৰে আবেদনৰ আহ্বান কৰিছে। অহা ৩১ জুলাই আবেদন জমা দিয়াৰ শেষ দিন ধাৰ্য কৰা হৈছে। উল্লেখযোগ্য যে সাহসিকতা, সমাজসেৱা, পৰিৱেশ, ক্ৰীড়া, কলা-সংস্কৃতি আৰু বিজ্ঞান প্ৰযুক্তিৰ লগতে বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা ব্যতিক্ৰমী অৱদানৰ বাবে ৰাষ্ট্ৰপতিৰ দ্বাৰা শিশুসকলক এই সন্মানীয় বঁটা প্ৰদান কৰি অহা হৈছে। AWARDS.GOV.INত ৰাষ্ট্ৰীয় পুৰস্কাৰ প’ৰ্টেলৰ জৰিয়তে জনসাধাৰণে ইয়াৰ বাবে আবেদন কৰিব পাৰিব বুলি মহিলা আৰু শিশু কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০

গুজৰাটৰ চুৰাটৰ বৰদলী চহৰৰ সমীপত কালি সংঘটিত এটা পথ দুৰ্ঘটনাত ৮ জন লোকৰ মৃত্যু হয়। মহাৰাষ্ট্ৰ ৰাজ্যিক পথ পৰিবহণ নিগমৰ দুখন বাছৰ মাজত

মুখামুখি সংঘৰ্ষৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। এই দুৰ্ঘটনাটোত আহত ১৫ জনতকৈ অধিক লোকক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

ইফালে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজৰাটত সংঘটিত এই দুৰ্ঘটনাটোৰ গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি মুৰ্মুৱে নিহতসকলৰ পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে।

উপ-ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণনে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰি এই কঠিন সময়ত তেওঁলোকৰ সাহস আৰু শক্তিৰ বাবে প্ৰাৰ্থনা জনায়।

আনহাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও নিহতসকলৰ পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰি কয়, যে দুৰ্ঘটনাস্থলীত উদ্ধাৰ অভিযান চলি আছে আৰু কৰ্তৃপক্ষই সকলো ধৰণৰ সহায় আগবঢ়াইছে। লগতে, প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা প্ৰতিজন মৃতকৰ পৰিয়ালবৰ্গক ২ লাখ টকা আৰু আহতসকলক ৫০ হাজাৰ টকাকৈ আৰ্থিক সাহায্য দিয়াৰ কথা ঘোষণা কৰিছে।

০০০০০

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে তেলেংগানা ৰাজ্য প্ৰতিষ্ঠা দিৱস উপলক্ষে কালি নতুন দিল্লীৰ তেলেংগানা ভৱনত আয়োজিত এখন প্ৰদৰ্শনী মুকলি কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাৰ শ্ৰীনবীনে কয়, যে ৰাজ্যখনে চহকী সাংস্কৃতিক ঐতিহ্য, সৃষ্টিশীলতা আৰু ঔদ্যোগিক উৎসাহৰ বাবে বিশেষ স্বীকৃতি লাভ কৰিছে। এই প্ৰদৰ্শনীত তেলেংগানাৰ সাংস্কৃতিক ঐতিহ্যৰ লগতে দেশৰ সভ্যতাগত ঐতিহ্য সন্দৰ্ভত আলোকপাত কৰা হ'ব। কালিৰ কাৰ্যসূচীত তেলেংগানা বিজেপিৰ সভাপতি এন ৰামচান্দেৰ ৰাও উপস্থিত আছিল।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কালি মেক্সিকোৰ বিদেশ মন্ত্ৰী ৰবেৰ্ট' ভেলাস্কোৰ আলভাৰেজৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে। সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা বাৰ্তাত ড০ জয়শংকৰে মেক্সিকোৰ নতুন বৈদেশিক পৰিক্ৰমা মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰা আলভাৰেজক অভিনন্দন জ্ঞাপন কৰে।

ড০ জয়শংকৰে কয়, যে দুয়োগৰাকী নেতাই ভাৰত আৰু মেক্সিকোৰ মাজত দ্বিপাক্ষিক সহযোগিতা অধিক শক্তিশালী কৰাৰ উপৰি বিভিন্ন বহুপক্ষীয় মঞ্চত ঘনিষ্ঠভাৱে কাম কৰাৰ ক্ষেত্ৰতো সন্মতি প্ৰকাশ কৰিছে। লগতে দুয়োখন দেশৰ মাজৰ সম্পৰ্ক অনাগত দিনত আৰু অধিক সুদৃঢ় হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি নতুন দিল্লীত নেপালৰ ৰাষ্ট্ৰীয় স্বতন্ত্ৰ পাৰ্টিৰ অধ্যক্ষ ৰবি লমিছানেৰ নেতৃত্বত অহা প্ৰতিনিধি দলৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকতে শ্ৰী শ্বাহে ৰাষ্ট্ৰীয় স্বতন্ত্ৰ পাৰ্টিয়ে শেহতীয়াকৈ লাভ কৰা নিৰ্বাচনী সফলতাৰ বাবে লমিছানেক অভিনন্দন জ্ঞাপন কৰাৰ লগতে নেপালৰ নতুন চৰকাৰৰ সফল কাৰ্যকালৰ বাবে শুভেচ্ছা জনায়।

বৈঠকৰ সময়ত দুয়োপক্ষই ভাৰত-নেপালৰ মাজৰ ঐতিহাসিক আৰু বিশেষ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ প্ৰতি প্ৰতিশ্ৰুতি ব্যক্ত কৰে। লগতে পাৰস্পৰিক সহযোগিতা, জনসাধাৰণৰ মাজৰ সম্পৰ্ক আৰু দ্বিপাক্ষিক অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে একেলগে কাম কৰি যোৱাৰ সংকল্প লয়।

00000

দিল্লীৰ এখন আদালতে কালি চিকিৎসা বিজ্ঞানত পাঠ্যক্ৰমত নামভৰ্তিৰ পৰীক্ষা নীটৰ প্ৰশ্নকাকত ফাদিলৰ গোচৰত পাঁচজন অভিযুক্তৰ ন্যায়িক জিম্মাৰ ম্যাদ ১৫ জুনলৈ বৃদ্ধি কৰে। বিশেষ ন্যায়াধীশ অজয় গুপ্তাই অভিযুক্ত মুংগীলাল, বিকাশ বিৰাল, দিনেশ বিৰাল, যশ যাদৱ আৰু ধনঞ্জয় লোখান্দেৰ ন্যায়িক জিম্মাৰ ম্যাদ বৃদ্ধিৰ বাবে চি বি আয়ে দাখিল কৰা আবেদন গ্ৰহণ কৰে। উল্লেখযোগ্য যে পদাৰ্থ বিজ্ঞানৰ অধ্যাপক মনীষা সঞ্জয় হাৱালদাৰ, শিশু চিকিৎসক ডাঃ মনোজ শিৰুৰে আৰু পদাৰ্থ বিজ্ঞানৰ শিক্ষক তেজাছ হৰ্ষদকুমাৰক ১৪ দিনৰ বাবে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হৈছে। চি বি আইয়ে প্ৰশ্নকাকত ফাদিলৰ গোচৰৰ সংক্ৰান্তত এতিয়ালৈকে ১৩ অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। যোৱা মাহত নীটৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ অভিযোগৰ বাবে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই ৩ মে'ত অনুষ্ঠিত এই পৰীক্ষা বাতিল কৰিছিল। এই পৰীক্ষা ২১ জুনত পুনৰ অনুষ্ঠিত হ'ব।

00000

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ মহিলা টি-২০ ক্ৰিকেট শৃংখলাৰ কালি অনুষ্ঠিত তৃতীয় তথা অন্তিমখন খেলত আয়োজক দেশ ইংলেণ্ডে ৬ উইকেটত জয়ী হৈ ২-১ত শৃংখলা হস্তগত কৰে।

হিথাৰ নাইট আৰু এলিচ কেপচিৰ সুন্দৰ প্ৰদৰ্শনৰ সহায়ত ইংলেণ্ডে ১৮০ ৰানৰ বিজয় লক্ষ্য সহজেই অতিক্ৰম কৰে। ইয়াৰ পূৰ্বে ভাৰতৰ মহিলা দলটোৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৮০ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ইংলেণ্ডে ১৮ অভাৰ আৰু ৩টা বলতেই ৪ উইকেটৰ বিনিময়ত ১৮৪ ৰান সংগ্ৰহ কৰে। এলিচ কেপচিক প্লেয়াৰ অৱ দা মেচ আৰু প্লেয়াৰ অৱ দা ছিৰিজ ঘোষণা কৰা হয়।

00000

সমাপ্ত